# অসম জাতীয় বিদ্যালয়ৰ উদ্যোগত ‘আন্তঃবিদ্যালয় সাহিত্য প্ৰতিযোগিতা’ৰ আয়োজন

**গুৱাহাটী, ৮ ফেব্ৰুৱাৰি, ২০১৮** : পূৰ্বৰ দৰে এই বছৰো অসম জাতীয় বিদ্যালয়ত অহা ১২ এপ্ৰিল তাৰিখে ‘ৰসৰাজ সাহিত্য চ’ৰা’ৰ উদ্যোগত সাহিত্য দিৱসৰ আয়োজন কৰা হৈছে। এই উপলক্ষে সদৌ অসম ভিত্তিত বিদ্যালয় পৰ্যায়ৰ শিক্ষাৰ্থীসকলৰ মাজত এলানি প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। প্ৰতিযোগিতাসমূহ ৩টা শাখাত অনুষ্ঠিত হ’ব—

**‘ক’ শাখা (ষষ্ঠৰ আৰু সপ্তম শ্ৰেণী)**

বিষয় : পদ্যৰ গদ্যৰূপ

নিৰ্বাচিত পদ্য : পিঠাৰ মেল (কবি : অতুলচন্দ্ৰ হাজৰিকা)

**‘খ’ শাখা (অষ্টম আৰু নৱম শ্ৰেণী)**

বিষয় : মোৰ সপোনৰ অসম (প্ৰবন্ধ)

শব্দ সংখ্যা : (৪৫০-৫০০ শব্দৰ ভিতৰত)

**‘গ’ শাখা (দশম, একাদশ আৰু দ্বাদশ শ্ৰেণী)**

বিষয় : গল্পৰ নাট্যৰূপ

গল্প : চৈয়দ আব্দুল মালিকৰ ‘মণি অৰ্ডাৰৰ টকা’

ইচ্ছুক প্ৰতিযোগীসকলে তেওঁলোকৰ লেখাসমূহ অহা ২৫ মাৰ্চ তাৰিখ অথবা তাৰ আগতে হিমাদ্ৰী বৰা, আহ্বায়িকা, ৰসৰাজ সাহিত্য চ’ৰা, অসম জাতীয় বিদ্যালয়, লাষ্টগেট, নুনমাটি, গুৱাহাটী-৭৮১০২০ অথবা বিদ্যালয়ৰ e-mail : assamjatiyabidyalay@gmail.com লৈ পঠিয়াব পাৰিব। ‘ক’ শাখাৰ নিৰ্বাচিত কবিতা ‘পিঠাৰ মেল’ আৰু ‘গ’ শাখাৰ নিৰ্বাচিত গল্প ‘মণি অৰ্ডাৰৰ টকা’ৰ মূল ৰূপ আৰু প্ৰতিযোগিতাৰ নিয়মাৱলী বিদ্যালয়ৰ ৱেবছাইট www.assamjatiyabidyalay.com ৰ পৰা সংগ্ৰহ কৰিব পাৰিব। প্ৰতিযোগীসকলে নিজৰ নাম, ঠিকনা আৰু ফ’ন নম্বৰ লেখাসমূহৰ লগত পঠিয়াব লাগিব। তদুপৰি বিদ্যালয়ৰ অধ্যক্ষ/প্ৰধান শিক্ষকৰ পৰা প্ৰমাণ-পত্ৰ একোখন লগত পঠিয়াব লাগিব। ইচ্ছুক প্ৰতিযোগীসকলে ৭৩৯৯৫৯৭৫২৯ অথবা ৯৪৩৫৫৬৮৭০৯ নম্বৰত ফ’ন কৰিও যোগাযোগ কৰিব পাৰিব।

হিমাদ্ৰী বৰা
(হিমাদ্ৰী বৰা)
আহ্বায়িকা, ৰসৰাজ সাহিত্য চ’ৰা
অসম জাতীয় বিদ্যালয়
নুনমাটি, গুৱাহাটী-৭৮১০২০

ঘনশ্যাম মেধি
(ঘনশ্যাম মেধি)
অসম জাতীয় বিদ্যালয়
নুনমাটি, গুৱাহাটী-৭৮১০২০

# সাহিত্য প্ৰতিযোগিতাৰ নিয়মাৱলী

২০১৮ বৰ্ষৰ ১২ এপ্ৰিলত উদ্‌যাপন কৰিবলগা 'সাহিত্য দিৱস'ৰ প্ৰতিযোগিতাৰ নিয়মাৱলী :

১) প্ৰতিযোগীসকলে নিজৰ নাম, ঠিকনা আৰু ফ'ন নম্বৰ স্পষ্টকৈ লিখি পঠিয়াব লাগিব।

২) A4 sizeৰ কাগজৰ এটা পিঠিত লেখাসমূহ নিজৰ হাতৰ আখৰেৰে লিখিব লাগিব।

৩। 'খ' শাখাৰ (৮ম আৰু ৯ম) প্ৰবন্ধৰ বিষয় ৪৫০ৰ পৰা ৫০০ শব্দৰ ভিতৰত হোৱাকৈ লিখিব লাগিব।

৪। লিখনিৰ মৌলিকতা প্ৰকাশ পাব লাগিব।

৫। বিদ্যালয়ৰ অধ্যক্ষ/প্ৰধান শিক্ষকৰ স্বাক্ষৰ সম্বলিত প্ৰমাণ পত্ৰ একোখন লগত পঠিয়াব লাগিব।

৬। ২৫/৩/২০১৮ তাৰিখ বা তাৰ আগত পোৱাকৈ তলৰ ঠিকনাত পঠিয়াব লাগিব।

৭। ৭৩৯৯৫৯৭৫২৯, ৯৪৩৫৫৬৮৭০৯, ৯৮৬৪১১৪৮৫৩ নম্বৰত যোগাযোগ কৰিব পাৰিব।

**যোগাযোগৰ ঠিকনা :**

হিমাদ্ৰী বৰা (আহ্বায়িকা)
অসম জাতীয় বিদ্যালয়
লাষ্টগেট, নুনমাটি, গুৱাহাটী-৭৮১০২০

## অতুল চন্দ্ৰ হাজৰিকা

### পিঠাৰ মেল

অকমাণিহঁতৰ ভঁৰালী কোঠাত
বিহুউৰুকা ৰাতি
পাচিত বহি পিঠাবোৰে
আছিল কথা পাতি।
চুঙা পিঠাই মাতিলে ঘপৰাই
"খোলা চাপৰীয়া বাই!
দেশৰ কথা, দহৰ কথা
শুনিছানে নাই?
এই দেশত আৰু বেছিদিন
নাই আমাৰ ভাত,"
"কিয় কব তেনে দুখলগা কথা?"
সুতুলিয়ে দিলে মাত।
ফেনী পিঠাই দিলে উত্তৰ
ফেন উলিয়াই
"হওঁতে আমাৰ চুঙা বোপাই
মিছা কোবা নাই।
আজিকালি আৰু অকমানিয়ে
নাপায় আমাক চিনি
লুছি লাগে, বিস্কুট লাগে
লাগে চাহ পানী।
টপাটপ ৰসৰ গোল্লা
মুখত সুমাব পাই
লাৰু আৰু পিঠাবোৰক হায়
ঘিণৰ চকুৰে চায়।

অকমানিৰ বাইদেৱেকহঁতো
হ'ল বৰ চালাক
ইংৰাজী স্কুলত পঢ়াৰে পৰা
দিলে আমাক তালাক।
বিহুৰ সভাত আজিকালি
প্ৰদৰ্শনী হয়,
আমাক পিঠিত লেবেল মাৰি
সজাই পৰাই থয়।"
অকমানিয়ে সোধে মাকক
"এইবোৰক কি কয়?"
মাকে কয় "গাঁৱলীয়া বস্তু
(খালে) পেটৰ অসুখ হয়।"
ফেনী পিঠাৰ কথা শুনি
তিল পিঠা তিলেশ্বৰী,
চকুপানী টুকি ক'বলৈ ধৰিলে—
"লগত মোৰ ঘিলাধাৰী।
সিবাৰ বিহুত হাকিমৰ ঘৰত
আবেলি পৰত হায়
মেজৰ ওপৰত বিলাতী থালত
পাইছিলো আমি ঠাই।
মুখলৈ কোনেও নিনিলে আমাক
কাষলৈ দিলে ঠেলি
বঙালনী জিলাপিজনীক হ'লে
ল'লে হাতত তুলি।
কাষতে আছিল চিৰাৰ বাটি
সখী এঠাঁদৈ
পানী লাগিছে বুলি তাকো
দিলে দূৰত থৈ।

কেকবোবৰ হ'লে দিলে মুখত
টপৰ টপৰ চুমা
খোবাৰ শেষত দিলে আমাক
নৰ্দমাত জমা।
পিঠাৰ এই ঘোৰ অপমান
তাঁলে কোনে কৰে কাণ,
এইদৰে হ'লে আমি বেছি দিন
জীয়াই থকাই টান।"
বান্ধনি ঘৰত এনেতে এটা
সোমাল পিঠা চোৰ
ভয়তে পিঠাই টাপ মাৰিলে
মেলৰ নপৰিল ওৰ।

# মনি অৰ্ডাৰৰ টকা

লগৰ ছোৱালী কেইজনীয়ে মলয়াক একপ্ৰকাৰ টানিয়ে কেণ্টিনলৈ লৈ গ'ল। মলয়াই বাধা নিদিলে। একপ্ৰকাৰ আনন্দই পালে।

কেণ্টিনত তেতিয়া এজাক ল'ৰা-ছোৱালীয়ে বহি চাহ খাইছিল। সিহঁতে হাঁহি মাতি বেছ স্ফূৰ্তিৰেই কিবা কিবি কথা আলোচনা কৰিছিল। মেনেজাৰৰ পাছফালে থকা ৰেডিঅ'ত বিবিধ ভাৰতীৰ মন চাহে গীত বাজিছিল। লাউডস্পীকাৰ লগাই দিয়াৰ কাৰণে গীতটোৰ শব্দ বহুত দূৰলৈকে গৈছিল।

মলয়াহঁত খালী থকা চকীখনতে বহিল। দীপা, পাৰ্বতী, জাহানাৰা, মীনা আৰু অলকাই একপ্ৰকাৰ জোৰ কৰিয়ে মলয়াক সিহঁতৰ মাজত বহুৱাই ল'লে। ল'ৰাবোৰে আৰু অন্য ছোৱালীবোৰে সিহঁতৰ ফালে চালে। কোনোবাই সৰুকৈ কিবা সুধিলে।

আৰু কেইজনমান ল'ৰা সোমাই আহিল। দুজনমান পইচা দি ওলাই গ'ল।

দীপাহঁতে ল'ৰাটোক মাতি চাহৰ অৰ্ডাৰদিলে ঃ চাহ, চপ, পটেট্ চিপ্ৰাই আৰু পুডিং।

অৰ্ডাৰৰ কথা শুনি কাষৰ চকীকেখনত বহা ল'ৰাকেজনৰ এজনে সুধিলে, "আজি স্পেচিয়ালনেকি? কোনে খুৱাইছে আজি?"

"মলয়াই। মলয়াৰ আজি দুটা ভাল খবৰ আছে জানে?"

"সঁচা? কি খবৰ? ফাইনেল দিয়ালৈকে আমাৰ লগত নেথাকিবই নেকি?"

মলয়া ৰঙা পৰিল।

জাহানাৰাই ক'লে, "সেইটো ক'ব নোৱাৰো। কিন্তু মলয়াৰ সঁচাকৈয়ে আজি দুটা ভাল খবৰ আছে।"

ল'ৰাকেজনে মলয়াৰ ফালে চালে। মলয়া চোকা ছোৱালী। গাঁৱৰ মাজত কিছুদিনৰ আগতে হোৱা কলেজখনৰ পৰা ইউনিভাৰ্চিটিৰ ভিতৰতে ডিষ্টিংচনত প্ৰথম হৈ বি. এ. পাছ কৰি আহি ইউনিভাৰ্চিটিত নাম লগাইছেহি। মলয়া ছোৱালীজনী দেখাই মেলাই ধুনীয়া, স্বাস্থ্যৱতী। কথা-বতৰাটো বৰ ভদ্ৰ আৰু অমায়িক। ইউনিভাৰ্চিটিৰ প্ৰায় সকলো ল'ৰা-ছোৱালীৰ লগত সৰল আত্মীয়তা আছে, আনকি লগৰ ল'ৰাবোৰে জোকালে মেলিলেও শান্তভাৱে ইহঁতৰ বাহিৰে আন একো নকৰে।

"ভাল খবৰৰ ভাগ আমাকো নিদিয়ে জানো?" এজন ল'ৰাই ক'লে।

"একো নহয় বুজিছে—" মলয়াই ক'লে।

"একো নহ'ব কেলেই। মলয়াই নেশ্যনেল স্কলাৰশ্বিপ পাইছে সেইটো এটা ভাল খবৰ আৰু আজি ভায়েকৰ পৰা ডেৰশ টকাৰ এখন এম অ' আহিছে। আজি কিবা মলয়াই আমাক এনেয়ে খুৱাবলৈ টানি আনিছে নেকি?"

"কন্‌গ্ৰেচুলেচন"—ল'ৰাজনে ক'লে, "আমাকো খুৱাব কিন্তু—"

শান্তভাৱেই মলয়াই হাঁহিলে। অলকাই ক'লে, "মলয়া বৰ ভাগ্যবান ভাই, চৰকাৰেও টকা দিয়ে ভায়েকেও টকা দিয়ে। আমাৰ ফালে আকৌ আমি যে ইউনিভাচিটিতে পঢ়িছো চৰকাৰৰ খবৰেই নাই। দেউতাই টকা কেইটা পঠিয়াই নথকা হ'লে এতিয়ামানে মূৰত লম্বা ওৰণি লৈ কাৰোবাৰ ঘৰত ৰান্ধনি হ'বৈগে লাগিলহেঁতেন।"

অলকা স্ফূৰ্তিবাজ ছোৱালী। কথা বতৰাত খোলা। সেইবাবে ভালো পায় ভয়ো কৰে। পটেটৌ ফ্ৰাই চপ আহিল।

"চাহো লৈ আহাঁ—"

"আনো বাইদেউ"—ক্ষীণ ল'ৰাটো আকৌ দৌৰি ভিতৰলৈ গ'ল ।

কাষৰ টেবুলত বহা ল'ৰাকেইজনৰ এজনে চিঞঁৰিলে, "ঐ আমি বহিয়ে থাকিমনেকি? অথনিৰে পৰা বহি আছোঁ, আমাৰ ফালে চোৱাই নাই। লৈ আহ।"

"নিছোঁ—" ল'ৰাটোৱে ভিতৰৰ পৰাই চিঞৰি ক'লে।

অলপ পিছতে ল'ৰাটোৱে এখন ট্ৰেত পুডিং আৰু চাহ আনি মলয়াৰ টেবুলত দিলে। কাষৰ মেজৰ ল'ৰাকেইটাই সেইফালে চালে।

"ই আমাক দেখাই নাই হ'বলা—" এজন ল'ৰাই ক'লে।

"আনো ককাইদেউ, আজি আকৌ বাপুকণ নাহিল নহয়, ময়ে সকলোকে দিবলগীয়া হৈছে।"

"যা যা এক্সপ্লেনশ্বন দিব নালাগে, চাহ লৈ আহ—"

দীপাইঁতে হাঁহি হাঁহি চাহ চপ পটেটৌ ফ্ৰাই খোৱাত লাগিল। চাহপানীবোৰ যে ভাল হোৱা নাই সেই কথা সৰু সৰুকৈ আলচ কৰিলে। "ইউনিৰ্ভাচিটিৰ কেন্টিনৰ চাহ আৰু কিমান ভাল হ'ব?" পাৰ্বতীয়ে মন্তব্য কৰিলে।

ৰেডিঅ'ত দ্ৰুত তালৰ গান এটা বাজি আছিল। গানটোৰ সুৰে পৰিবেশটো জীৱন্ত কৰি তুলিছিল।

হঠাৎ এটা কৰ্কশ মাত শুনা গ'ল—"এই বয়, নান কেলেই। ইয়াত এনেকৈ বহি থাকিবলৈ আমাৰ আৰু অন্য কাম নাই নেকি?"

অৱশ্যে তেওঁলোক বহাৰ বৰ বেছি পৰ হোৱা নাই। তথাপি ছোৱালী কেইজনীয়ে খাইছে আৰু কাষৰে মেজত ল'ৰাকেইটা বহি আছে, অস্বস্তি লাগিবৰে কথা।

পটেটৌ ফ্ৰাই চব শেষ কৰি ছোৱালীকেইজনীয়ে পুডিং খাবলৈ আৰম্ভ কৰিছিল সৰু চামোচখনেৰে। মলয়াই অকণমান পুডিং নি মুখৰ ওচৰ পোৱাইছিল, হঠাৎ এটা গণ্ডগোল হোৱা শুনি আটায়ে সেইফালে চালে।

"ষ্টুপিড, শুদা চাহ দুপিয়লা দিওঁতে দুঘণ্টা লাগে, নবাবৰ বেটা আৰু ইমান কেয়াৰলেচ স্কাউন্ড্ৰেল ধেমালি কৰিছ গৰম চাহবোৰ আনি দিলি কাপোৰে কানিয়ে পেলাই"—কোৱাৰ লগে লগে ল'ৰাজনে থিয় হ'ল আৰু চাহ অনা ল'ৰাটোক দুটা কাণতলীয়া চৰ শোধাই দিলে। ল'ৰাটো পৰো পৰো হৈ কোনোমতে নপৰাকৈ থাকিল আৰু দোষ স্খলনৰ কাৰণে কান্দো কান্দো হৈ কোনোমতে ক'লে, "আপুনি ঘপহ কৰে ঘূৰি দিলে কাৰণেহে, মই কি কৰিম।"

মেনেজাৰ উঠি আহিল। প্ৰথমে ল'ৰাটোক থাপ্পৰ এটা মাৰি ল'ৰাজনৰ ওচৰলৈ আহিল আৰু ক'ত কিমান চাহপানী পৰিল চাই ক'লে, "বেয়া নেপাব। ইয়াক, বিদায় হে দিব লাগিব।

দুখীয়া মানুহৰ ল'ৰা। মৰম কৰি ৰাখিছিলো। কিন্তু ইহঁতৰ দায়িত্বজ্ঞান নাই। এই, তেখেত সকলকো একোটাকৈ চপ দে।"

চৰখাই ল'ৰাটোৱে ছোৱালী কেইজনীৰ আগত লাজ পালে, তলমূৰ কৰি কল্পনামুৰাকৈ সি ভিতৰলৈ গুচি গ'ল।

জাহানাৰাইঁতে চাহ পুডিং সকলো শেষ কৰিলে। মলয়াই পুডিং নেখালে, মুখৰ ওচৰলৈ নিয়া চামুচো থৈ দিলে। ঠাণ্ডা পানী গিলাচৰ আধা একে শোহাই খাই মলয়া তলমূৰ কৰি বহি থাকিল।

দীপাই চাহ পিয়লা শেষ কৰি মন্তব্য কৰাৰ ধৰণে ক'লে, "এই হোটেল বয়বোৰ জানা ৰ্থলেচ। চাহ এপিয়লা দিওঁতে এঘণ্টা কৰিব।—দিলেহি তেওঁৰ পেণ্টটো নষ্ট কৰি—"

মলয়াই একো নামাতিলে। পইচা দি আটাইকেইজনী কেণ্টিনৰ পৰা ওলাই আহিল।

মলয়াৰ এটা ক্লাছ আছিল। কিন্তু মলয়া আৰু ক্লাছলৈ নগ'ল, বেগটো আৰু কিতাপ বহি কেটা হাতত লৈ মলয়াই বাসস্থানলৈ খোজ ল'লে, চিটি বাছলৈ বাট নেচালে।

মলয়া গাঁৱৰ এটা বৰ দুখীয়া পৰিয়ালৰ ছোৱালী। ঘৰৰ ওচৰতে হাইস্কুলটো হোৱাৰ কাৰণে বৃত্তিৰ টকাৰে হাইস্কুলত পঢ়িলে, তাৰ পৰা প্ৰথম বিভাগত পাছ কৰি বৃত্তি পালে, ঘৰৰ পৰা ডেড়মাইলমান দূৰতে নতুনকৈ প্ৰতিস্থিত হোৱা কলেজখনত পঢ়ি মলয়াই ভালকৈ বি, এও পাছ কৰিলে। কলেজখন গাঁৱতে নথকা হ'লে মলয়াৰ কলেজত পঢ়া নহ'লহেঁতেন, ইউনিভাৰ্চিটিলৈ অহাৰ আগলৈকে মলয়াই তাঁত-সুত বৈ মেখেলা চেলেং ফুলাম গামোচা বেচি পঢ়াৰ খৰচ উলিয়াইছিল। নিজে ঢেকী দি চাউল পাত উলিয়াইছিল। তাৰ মাজতে গাঁৱৰে ল'ৰা-ছোৱালী কেইটামানক ঘৰতে পঢ়ুৱাই কেইটামান টকা উলিয়াইছিল। খেতিৰ দিন কেইটাত ভূঁই-কঠীয়া ৰোৱা তোলাও কৰিছিল। মলয়াৰ দেউতাক নাই।

ককায়েকে লিখা-পঢ়া বিশেষ কৰিব নোৱাৰি খেতি বাতিতে লাগি থাকিল। মাটিও সৰহ নাই। নিজৰ খেতিৰ ধানে বছৰটো খাবলৈ নোজোৰে।

বহুত কষ্ট বহুত অভাৱ।

এনে অভাৱৰ কাৰণেই মলয়াৰ ভায়েক কেশৱ ক্লাচ চিক্সলৈকে পঢ়ি গুচি গ'ল।—ক'ৰবাত চাকৰি কৰিবৰ কাৰণে। কেইবা বছৰো সি ঘৰলৈ অহা নাই। চিঠি পত্ৰ দি থাকে। সৰুতে গ'ল, এই কেইবছৰত চাগৈ ডেকাটো হ'ব পায়। সি বা কেনেকুৱাটো হৈছে চাগৈ—

আহি আহি মলয়া নিজৰ বাসস্থান পালেহি। ডাক্তৰ বিভূতি দুৱৰাৰ বাৰীৰ ভিতৰতে দীঘলীয়া ভাড়া ঘৰটোৰ এটা কোঠা লৈ মলয়া থাকে। তাতে আৰু বিশ্ববিদ্যালয়ত পঢ়া তিনিজনী ছোৱালীও থাকে। একেলগে মেছ কৰি খায়।

মলয়াই নিজৰ কোঠাটোৰ ভিতৰলৈ সোমাই দুৱাৰখন বন্ধ কৰি দিলে। প্ৰায় এমাইল বাট খোজকাঢ়ি অহাৰ কাৰণে মলয়াৰ ভাগৰ লগা যেন লাগিল। চকু কেইটাও অলপ পোৰা যেন লাগিল।

মলয়া বিছনাতে ওপৰমুকৈ পৰিল। ওপৰৰ বগা চিলিংখনৰ ফালে চাই কিছুপৰ তেনেকৈয়ে পৰি থাকিল। তাৰ পিছত বেগটোৰ ভিতৰৰ পৰা চিঠি এখন উলিয়াই চকুৰ আগত মেলি ল'লে।

মৰমৰ বাইদেউ,

তোৰ চিঠিখন পাবৰ কেইবাদিনো হ'ল। মোৰহে উত্তৰ দিয়া দেৰী হ'ল। বেয়া নেপাবি। তই যে বৃত্তিৰ টকা এতিয়াও পোৱা নাই কেলেই মই বুজি পোৱা নাই। টকা হাতত নথকাৰ কাৰণে

তোৰ কিজানি বহুত অসুবিধা হৈছে। মোৰ হাততো সিমান টকা নাছিল। কোনোমতে [illegible] গোটাই ৰাখিছিলো। পিছে তোৰ টকাৰ দৰকাৰ বুলি জানি মই আমাৰ মেনেজাৰৰ পৰা [illegible] এডভান্স ল'লো। আৰু মোৰ লগতে কাম কৰা লোকনাথ নামেৰে ল'ৰা এটাৰ পৰাও টকা ধাৰ ল'লো। আজি তোলৈ ডেৰশ টকা মনি অৰ্ডাৰ কৰি পঠিয়াইছো।

বাইদেউ, টকাৰ কাৰণে কোনো চিন্তা নকৰিবি, মই যেনে তেনে তোলৈ টকা পঠিয়াই থাকিম। হোটেলৰ চাকৰি বেয়া নহয়। খোৱাটো আমাৰ এনেয়ে হৈ যায়। কামটো বৰ [illegible] ৰাতি পুৱাৰ পৰা ৰাতি দুপৰলৈকে খাটিব লাগে। ৰাতি বৰ ভাগৰ লাগে। আমাৰ হোটেলৰ মালিকজন এজন পাঞ্জাবী মানুহ। মানুহজন বেয়া নহয়। আমাক তৰি ধমকি দিয়ে [illegible] কৰে। কিন্তু কিছুমান গ্ৰাহকহে বৰ বেয়া থাকে। কোৱা মাত্ৰকতে চাহ ভাত সকলো আনি দিব কৰিব লাগে। নহ'লেই গালি-শপনি পাৰে। কেতিয়াবা থপৰিয়াইও।

পিছে হোটেলৰ চাকৰি কৰিলে এইবোৰ হ'বই। তই একো চিন্তা নকৰিবি। সদায় কিয় ইয়াতে চাকৰি কৰি থাকিমনে? তই পৰীক্ষা পাছ কৰি ওলা। তেতিয়া কিবা ভাল চাকৰি পোৱা জানো? মই লাগিলে তোৰ তাতে ৰান্ধনি কৰিম।

মই বিড়ি চিগাৰেট একো নেখাওঁ, চিনেমাও নেচাওঁ। সেইবোৰ কৰিলে তোলৈ টকা পঠিয়াব নোৱাৰিম। অহা মাহলৈ কিমান টকা পঠিয়াব লাগিব জনাবি। মই যেনে তেনে পঠিয়াম। তই ভালকৈ পঢ়ি পাছ কৰি ওলা। মোৰ কাৰণে একো চিন্তা নকৰিবি।

মই ভালেই আছো। অলপ গা-চা বেয়া থাকিলেও কাম বন্ধ নকৰো। কাম বন্ধ কৰিলে দৰমহাৰ পইচা কাটে।

আশা কৰো তই ভালে আছ।

মোৰ মৰম আৰু সেৱা লবি।

ইতি

তোৰ মৰমৰ ভায়েৰ

—কেশৱ।

পুঃ—মোৰ আখৰবোৰ বেয়া, আৰু ভুলও হ'ব পাৰে কিজানি; তই নেহাঁহিবি দেই।

—কেশৱ।

ভায়েকৰ চিঠিখন পঢ়া শেষ কৰি মলয়া একেলেৰেই চিলিঙৰ ফালে চাই বিছনাতে পৰি ৰ'ল। মলয়াক ইউনিভাৰ্চিটিত পঢ়াবৰ কাৰণে কেশৱে হোটেলত—ক'ৰবাৰ দূৰণিৰ পাঞ্জাবী হোটেলত বয়ৰ কাম কৰিছে। হয়তো ডেৰশ টকা জোগাৰ কৰিবৰ কাৰণে বহুত গ্ৰাহকৰ তৰি-ধমকি খাইছে, চৰটো ভুকুটো খাইছে।

আজি ইউনিভাৰ্চিটিৰ কেন্টিনত সেই ল'ৰাজনৰ চৰখোৱা বয়টো আৰু কেশৱৰ মাজত কোনো পাৰ্থক্য নাই। সিও কিজানিবা হোটেলত বয় কাম কৰি কোনোবা কলেজত বা বিশ্ববিদ্যালয়ত বায়েকক পঢ়ুৱাইছে।

মলয়াৰ চকুহাল বাষ্পাকুল হৈ উঠিল। এটা মূক বেদনাত মলয়াই গাৰুতে মুখ গুজি হুকহুকাই কান্দি উঠিল।

কোঠাটোৰ দুৱাৰখন বন্ধ আছিল। বাহিৰৰ লগলে মলয়াৰ চকু পানী নেদেখিলে।

---